অধ্যায় ৫ ঃ সাহিত্যদর্পণ (ষষ্ঠ পৰিচ্ছেদ)— নাটক, প্ৰকৰণ, নাটকৰ সন্ধি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ দৃশ্য কাব্য, ৰূপক, অভিনয়

৫.৪ ৰূপকৰ সংখ্যা

৫.৪.১ নাটকৰ লক্ষণ

৫.৪.২ প্ৰকৰণৰ লক্ষণ

৫.৫ নাটকৰ সন্ধি

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্ৰগতিৰ খতিয়ান

৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাহিত্যদর্পণৰ ষষ্ঠ পৰিচ্ছেদত থকা নাটকৰ লক্ষণৰ কথা জানিব পাৰিব
- নাটককেই ৰূপক বুলি কোৱাৰ কাৰণৰ বিষয়ে অৱগত হ'ব
- ৰূপকৰ সংখ্যা জানিব পাৰিব
- নাটকৰ সন্ধিৰ সাধাৰণ জ্ঞান লাভ কৰিব পাৰিব
- ৰূপকৰ অন্তৰ্গত প্ৰকৰণৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

ইতিমধ্যে আপুনি নাটক অধ্যয়ন কৰিছে। নাটকত বিভিন্ন চৰিত্ৰৰ সংলাপত সংস্কৃত আৰু প্ৰাকৃত (সংস্কৃতৰ পৰা ওলোৱা ভাষা) ভাষাৰ ব্যৱহাৰো দেখিছে। নাটক অধ্যয়নৰ লগে লগে নাটকত মুখ্য ঘটনাৰ আৰম্ভণি আৰু শেষত ফলাগম ঘটে তাৰো আভাস পাইছে।

সাহিত্যদর্পণৰ ষষ্ঠ অধ্যায়ৰপৰা নাটক সম্পৰ্কীয় প্ৰয়োজনীয় প্ৰধান কিছুমান বিষয় এই অধ্যায়ত জানিব পাৰিব। নাটক সদায় অভিনয়ৰ উপযুক্ত। সেইকাৰণেই নাটকৰ লগত অভিনয়ৰ ঘনিষ্ঠ সম্পৰ্ক। নাটকক ৰূপক বুলি কোৱাৰ তাৎপৰ্য্য এই অধ্যায়ত আপুনি জানিব পাৰিব। ৰূপকৰ ভিতৰত নাটক প্ৰধান। ই সকলোৰে অতি পৰিচিত। সেইকাৰণে নাটকৰ লক্ষণৰ বিষয়ে এই অধ্যায়টিত বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। ৰূপকৰ আন এটা ভাগ হৈছে প্ৰকৰণ। প্ৰকৰণৰ

লক্ষণ জানিলেহে নাটক আৰু প্ৰকৰণৰ মাজত থকা পাৰ্থক্যখিনি সহজতে বুজিব পাৰি। সেই নিমিত্তেই প্ৰকৰণৰ লক্ষণো এই অধ্যায়টিত আলোচিত হৈছে। এই অধ্যায়টিত নাটকৰ সন্ধিৰ বিষয়েও জানিব পাৰিব।

৫.৩ দৃশ্য কাব্য, ৰূপক আৰু অভিনয়

ভাস ৰচিত 'স্বপ্নবাসৱদত্তম্' নাটকখন আপুনি ইতিমধ্যে অধ্যয়ন কৰিছে। সেই প্ৰসঙ্গত আপুনি দৃশ্যকাব্যৰ (কেৱল দেখাৰ উপযুক্ত কাব্য) কথাও নিশ্চয় জানিছে। দৃশ্যকাব্যৰ ভিতৰত নাটক সকলোৰে বৰ প্ৰিয়। নাটকৰ চৰিত্ৰবোৰত প্ৰকৃত চৰিত্ৰৰ গুণ, কাৰ্য্য আদি আৰোপ কৰা হয়। সেই কাৰণেই নাটকো এবিধ ৰূপক।

দৃশ্য আৰু শ্ৰব্য ভেদে কাব্য দুই প্ৰকাৰৰ। দৃশ্যকাব্য অভিনয়ৰ যোগ্য। নট আদিৰদ্বাৰা অভিনয় কৰা কাব্য চকুৰে চাই উপভোগ কৰিব পাৰি। সেই কাৰণেই তাক দৃশ্যকাব্য বোলা হৈছে। সাহিত্যদৰ্পণত কোৱা হৈছে— "দৃশ্যং তত্ৰাভিনেয়ম্" (তত্ৰ অভিনেয়ম্) অৰ্থাৎ দৃশ্য কাব্য অভিনয়ৰহে যোগ্য। দৃশ্য কাব্য পঢ়িবও পাৰি। কিন্তু তাত নাটকৰ অভিনেতা বা অভিনেত্ৰীৰ চৰিত্ৰত ৰাম, সীতা আদিৰ স্বৰূপ আৰোপ কৰা হয়। কিয়নো, অভিনয় কৰা মানুহজন প্ৰকৃততে ৰাম নহয়। কিন্তু, ৰামৰ সকলো বৈশিষ্ট্য ৰামৰ অভিনয় কৰা মানুহজনৰ ওপৰত আৰোপ কৰা হয়। সেইকাৰণে অভিনয়ক ৰূপক বুলি কোৱা হৈছে। সাহিত্যদৰ্পণত কোৱা হৈছে— "তদ্ ৰূপাৰোপাত্তু ৰূপকম্" অৰ্থাৎ তাৰ (চৰিত্ৰটোৰ) ৰূপ আৰোপ কৰা হয় কাৰণেই তাক ৰূপক বুলি কোৱা হয়। ইয়াত তাৰ ৰূপ বুলি কোৱাত যিটো চৰিত্ৰৰ অভিনয় কৰা হয় সেই চৰিত্ৰটোৰ ৰূপ এনেকুৱা বুজিব লাগিব।

দৃশ্য কাব্য অধ্যয়ন কৰিও তাৰ ৰস উপভোগ কৰিব পৰা যায়। কিন্তু, মঞ্চত অভিনয়ৰ সময়ত চৰিত্ৰবোৰৰ মাজেৰে চকুৰে নেদেখা অতীতৰ চৰিত্ৰটোও চকুত সুন্দৰকৈ ফুটি উঠে। সেই কাৰণেই ৰূপকক দৃশ্যকাব্য বুলি কোৱা হয়। আচলতে ৰাম বা যুধিষ্ঠিৰ নোহোৱা মানুহজনে ৰাম বা যুধিষ্ঠিৰৰ পোছাক, বচন-ব্যৱহাৰ, ভাৰ আদিৰে শোভিত হৈ অভিনয় কৰে। সেই কাৰণেই অভিনয় চাই আনন্দ উপভোগ কৰাটো যিমান সহজ ৰূপক পঢ়ি তেনেকুৱা আনন্দ পোৱাটো টান। আনহাতে পঢ়িব নজনা লোকেও ৰূপকৰ অভিনয় চাই আনন্দ লাভ কৰিব পাৰে। সেই কাৰণেই দৃশ্যকাব্যৰ জনপ্ৰিয়তা দেখিবলৈ পোৱা যায়।

এতিয়া তলৰ আলোচনাৰ পৰা অভিনয়ৰ বিষয়ে জানিব পাৰিব। ৰূপকত চৰিত্ৰৰ অৱস্থাৰ অনুকৰণ কৰা হয়। সেই কাৰণেই অৱস্থাৰ অনুকৰণক অভিনয় বুলি কোৱা হৈছে। অৱস্থা অনুকৰণৰ দ্বাৰা ৰাম নোহোৱা মানুহজনো ৰামৰ দৰে মঞ্চত আচৰণ কৰে। সেই কাৰণেই ৰামৰ অভিনয়ত অভিনেতাজনে ৰামৰ আচৰণ, কাৰ্য্যকলাপ আদিৰ সমপৰ্য্যায়লৈ গৈ দৰ্শকৰ মন আকৰ্ষণ কৰে। অভি অৰ্থাৎ তালৈ বা তাৰ প্ৰতি 'নীয়তে' লৈ যোৱা হয়— এনেকুৱা অৰ্থত অভিনয় শব্দটো নিষ্পন্ন হৈছে। **সাহিত্যদৰ্পণত** কোৱা হৈছে— "ভৱেদভিনয়োহৱস্থানুকাৰঃ" অৰ্থাৎ অৱস্থাৰ অনুকৰণকেই অভিনয় বুলি কোৱা হয়। সেই অভিনয় চাৰি প্ৰকাৰৰ। যেনে— আঙ্গিক, ৱাচিক,

আহার্য্য আৰু সাত্ত্বিক। সাহিত্যদর্পণত কোৱা হৈছে— "স চতুর্বিধঃ। আঙ্গিঁকো ৱাচিকশ্চৈৱমাহার্য্য (ৱাচিকঃ চ এৱম্ আহার্য্যঃ) সাত্ত্বিকস্তথা (সাত্ত্বিকঃ তথা) অর্থাৎ সেইটো (অভিনয়) চাৰিপ্রকাৰৰ। আঙ্গিক (শৰীৰৰ অঙ্গৰ লগত সম্পর্ক থকা), ৱাচিক (কথা বা বচনৰ লগত সম্পর্ক থকা), আহার্য্য (সাজ-পাৰ বা মেক আপৰ লগত সম্পর্ক থকা), সাত্ত্বিক (ভাৱ, আৱেগৰ লগত সম্পর্ক থকা)।

৫.৪ ৰূপকৰ সংখ্যা

ৰূপক, অভিনয় আদিৰ বিষয়ে অধ্যয়ন কৰাৰ পিছত ৰূপক কেইখন সেইটো এতিয়া জানিব। দহবিধ ৰূপকৰ ভিতৰত নাটক আৰু প্রকৰণৰ বিষয়ে বিতংকৈ আলোচনা কৰা হ'ব।

ৰূপক দহবিধ। যেনে— নাটক, প্রকৰণ, ভান, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অঙ্ক, বীথী আৰু প্রহসন। এই দহ প্রকাৰ ৰূপকৰ ভিতৰত নাটক আৰু প্রকৰণৰ কথাই বেছিকৈ জনাজাত। সাধাৰণতে আমি অভিনয়ৰ উপযুক্ত যি কোনো ৰূপককেই নাটক বুলিয়েই জানো। কিন্তু, নাটকৰ কলা-কৌশল, বিষয়বস্তুৰ ভিত্তিত ৰূপকক বেলেগ বেলেগ শ্রেণীত ভাগ কৰা হৈছে।



জানি থোৱা ভাল

আঙ্গিক অভিনয় ঃ শৰীৰৰ অঙ্গৰ সহায়ত যি অভিনয় সম্পাদিত হয় তাক আঙ্গিক অভিনয় বোলে। নাটকৰ কাহিনীৰ সংলাপত যি পৰিৱেশত চকু, মুখ, হাত আদি অঙ্গ যিদৰে চালনা কৰিব লাগে ঠিক তেনেদৰে কৰিলেই তাক আঙ্গিক অভিনয় বুলি কোৱা হয়।

বাচিক অভিনয় ঃ নাটকৰ সংলাপ চৰিত্র একোটাৰ অভিনয়ত অভিনেতা বা অভিনেত্রীৰ মুখেৰে যথাযথ ধৰণে প্রকাশ কৰাটোকেই বাচিক অভিনয় বুলি কোৱা হয়। উদাহৰণ হিচাপে ক'ব পাৰি যে ৰামৰ চৰিত্রত ৰামৰ সংলাপ ৰামৰ দৰেই সম্পাদন কৰিব লাগে।

আহার্য্য অভিনয় ঃ নাটকৰ অভিনেতা বা অভিনেত্রীয়ে অভিনয় কৰিবলৈ লোৱা চৰিত্রটোৰ দৰে সাজ-পোছাক আদিৰে চৰিত্রটো দর্শকৰ চকুত ফুটাই তুলিব লাগে। ৰামৰ অভিনয়ত অভিনেতাই ৰামৰ দৰে কাপোৰ, মূৰৰ চুলিকে আদি কৰি সাজ-কাছ কৰি মঞ্চত অভিনয় কৰিব লাগে। সেই কাৰণেই অঙ্গৰ সাজ-কাছ আদি অভিনয়ৰ প্রধান উপকৰণ।

সাত্ত্বিক অভিনয় ঃ নাটকত ভগা মাত, কঁপা, ৰোমাঞ্চ, মূর্চ্ছা, শেঁতা পৰা, চকুলো, নিশ্বাস, সন্তাপ, উচ্ছ্বাস, জোকাৰণি, ক্ষীণাই যোৱা, শিহৰণ আদি বিষয় সংলাপৰ সহায়ত প্রকাশ কৰিব নোৱাৰি। মঞ্চত অভিনেতা বা অভিনেত্রীয়ে মনৰ ভাৱৰ সহায়ত অভিনয়েৰে তেনেকুৱা অৱস্থাবোৰ প্রকাশ কৰে। তেনেকুৱা অভিনয়ক সাত্ত্বিক অভিনয় বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নাটক অভিনয়ৰ উপযুক্ত নহয়। এইটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্ৰশ্ন নং ২ ঃ সন্ধিৰ আৱশ্যকতা কি লিখক।

.....

.....

প্ৰশ্ন নং ৩ ঃ দৃশ্য কাব্য কাক বোলে লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ অভিনয় কেই বিধ আৰু কি কি লিখক।

.....

.....

৫.৪.১ নাটকৰ লক্ষণ

ৰূপক, ৰূপকৰ সংখ্যা আৰু অভিনয়ৰ বিষয়ে অধ্যয়ন কৰাৰ পিছত আপুনি ইয়াত নাটকৰ লক্ষণৰ বিষয়ে অৱগত হ'ব। দহবিধ ৰূপকৰ ভিতৰত নাটকৰ নাম প্ৰথমতেই উল্লেখ কৰা হৈছে। নাটকৰ লক্ষণৰ বিষয়ে **সাহিত্যদৰ্পণত** কোৱা হৈছে—

"নাটকং খ্যাতবৃত্তং স্যাৎ পঞ্চসন্ধিসমন্বিতম্।
বিলাসৰ্দ্ধ্যাদি (বিলাস-ঋদ্ধি-আদি) গুণবদ্যুক্তং নানাবিভূতিভিঃ।।
সুখদুঃখসমুদ্ভূতি - নানাৰসনিৰন্তৰম্।
পঞ্চাদিকা দশপৰাস্তত্ৰাঙ্কাঃ পৰিকীৰ্ত্তিতাঃ।।
প্ৰখ্যাতৱংশো ৰাজৰ্ষিধীৰোদাত্তঃ প্ৰতাপৱান্।
দিব্যোথ দিব্যাদিব্যো বা গুণৱান্ নায়কো মতঃ।
এক এব ভৱেদঙ্গী শৃঙ্গাৰো ৰীৰ এৱ ৰা।
অঙ্গমন্যে ৰসাঃ সৰ্বে কাৰ্য্যং নিৰ্বহনেহদ্ভুতম্।।
চত্বাৰঃ পঞ্চ ৰা মুখ্যাঃ কাৰ্য্যব্যাপৃত্পুৰুষাঃ।
গোপুচ্ছাগ্ৰসমগ্ৰন্তু বন্ধনং তত্ৰ কীৰ্ত্তিতম্।।

অৰ্থাৎ নাটকৰ কাহিনী প্ৰখ্যাত হ'ব লাগে। এই কাহিনী সদায় ইতিহাস, পুৰণি আখ্যান বা পুৰণি কাহিনীৰ পৰা গ্ৰহণ কৰিব লাগে। নাটকত পাঁচটা সন্ধিৰ প্ৰয়োগ অতি প্ৰয়োজনীয় (মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ আৰু উপসংহৃতি —এই পাঁচটা সন্ধি)। নাটক নানা ঐশ্বৰ্য্য আৰু ধীৰ দৃষ্টি আদিৰে পুষ্ট হ'ব লাগে। নাটকৰ কাহিনী সুখ, দুখৰ উৎপত্তি

আৰু শৃঙ্গাৰকে (এবিধ ৰসৰ নাম) আদি কৰি নানা ৰস যুক্ত হ'ব লাগে। নাটকত পাঁচটাৰ পৰা দহটা অঙ্ক (নাটকৰ একো একোটা খণ্ডক অঙ্ক বোলা হয়) থাকিব লাগে। নায়কজন সম্ভ্রান্ত বংশৰ ৰাজর্ষি (ঋষিৰ দৰে ৰজা) হব লাগে আৰু তেওঁ ***ধীৰোদাত্ত*** (ধীৰ আৰু উদাত্ত) অর্থাৎ উদাৰ গুণসম্পন্ন হ'ব লাগে। নায়কজন প্রতাপশালী হ'ব লাগে। নায়কজন কেতিয়াবা দেৱতাও হ'ব পাৰে আকৌ কেতিয়াবা দেৱতা হৈয়ো মানুহৰ দৰে হ'ব পাৰে। নায়ক সদায় গুণৱান হ'ব লাগে। শৃঙ্গাৰ বা বীৰ এই দুবিধ ৰসৰ ভিতৰত যিকোনো এটা ৰস প্রধান হ'ব লাগে আৰু আনবোৰ ৰস প্রধান ৰসৰ অঙ্গৰস (অর্থাৎ প্রধান ৰসৰ সহায়ক) হিচাপে থাকিব লাগে। নির্বহণ সন্ধিত (নাটকৰ পঞ্চ সন্ধিত নির্বহণ সন্ধিটো পঞ্চম সন্ধি) অদ্ভুত ৰস থাকিব লাগে। নাটকৰ প্রধান কাহিনীৰ লগত চাৰি বা পাঁচজন পুৰুষ (চৰিত্র) যুক্ত থাকিব লাগে। সন্ধিবোৰৰ আকাৰ ক্রমে গৰুৰ নেজডালৰ দৰে হ'ব লাগে অর্থাৎ গৰুৰ নেজডাল যিদৰে লাহে লাহে সৰু হৈ গৈ থাকে আৰু আগত কেৱল অলপ চুলিৰ কিছুমান সৰু আৰু কিছুমান দীঘল থাকে সন্ধিৰ অৱস্থাটোও তেনেকুৱাই হ'ব লাগে (কিছুমান কার্য্য মুখ সন্ধি আৰু কিছুমান কার্য্য প্রতিমুখ সন্ধিতেই শেষ হ'ব লাগে আৰু বাকী সন্ধিবোৰতো কিছুমান নাটকীয় কার্য্য সমাপ্ত হ'ব লাগে)। নায়কৰ চৰিত্রটো অতি স্পষ্ট হ'ব লাগে আৰু ৰস আৰু ভাব (শৃঙ্গাৰ আদি ৰস আৰু নায়কৰ কথা বতৰাত প্রকাশ পোৱা মনৰ ভাৱ) উজ্বল হ'ব লাগে। নায়কৰ বেলিকা কথাৰ কোনো গোপন অর্থ প্রকাশ পাব নালাগে আৰু নায়কৰ বচন সদায় চুটি সমাসযুক্ত হ'ব লাগে।

নাটকত অপ্রাসঙ্গিক অর্থ থাকিব নালাগে কিন্তু কিছুমান সৰু কথাৰ অর্থৰ ব্যাপকতা থকা হ'ব লাগে (বিন্দু)। নায়কৰ চৰিত্র বহু কার্য্যৰদ্বাৰা যুক্ত হ'ব নালাগে আৰু নাটকৰ মুখ্য বিষয় যাতে তেওঁৰ কার্য্যত প্রকাশ নাপায় তালৈ চকু ৰাখিব লাগে। তেওঁ বহুতো কার্য্যত যুক্ত হ'ব নালাগে আৰু তেওঁৰ সংলাপত (বচনত) বেছি পদ্য থাকিব নালাগে। নায়কৰ আৱশ্যক কর্ম্মত বিৰোধ থাকিব নালাগে। বহু দিনত সমাপ্ত হ'বলগীয়া বিষয়ৰ লগত নায়ক যুক্ত থাকিব নালাগে। নাটকত নায়কে সদায় তেওঁৰ ওচৰত থকা (অর্থাৎ নায়কে অনায়াসে পাব পাৰে তেনেকুৱা) তিনি বা চাৰিজনৰ লগতহে যুক্ত থাকিব লাগে।



জানি থোৱা ভাল

- নাটকৰ নায়কজন ধীৰোদাত্ত হ'ব লাগে। যেনে— অভিজ্ঞান শকুন্তলম্ নাটকৰ নায়ক ৰজা দুষ্যন্ত।
- ৰজা দুষ্যন্ত প্রখ্যাত বংশত ওপজা ৰাজর্ষি নায়ক।
- নাটকত ভগৱান শ্রীকৃষ্ণৰ দৰে পুৰুষে নায়ক হিচাপে থাকিলে সেই নায়কক দিব্য নায়ক বুলি ক'ব লাগিব।



ধীৰোদাত্ত: সংস্কৃত নাটকৰ নায়ক চাৰি প্রকাৰৰ। যেনে— ধীৰোদাত্ত, ধীৰোদ্ধত, ধীৰললিত আৰু ধীৰপ্রশান্ত। ধীৰোদাত্ত নায়ক সদায় ন্যায়শীল, গম্ভীৰ, ক্ষমাশীল আৰু স্থিৰ প্রকৃতিৰ হয়। তেওঁ খং আৰু শোকৰ দ্বাৰা আক্রান্ত নহয়।

- নাটকত শ্ৰীৰাম চন্দ্ৰৰ দৰে পুৰুষ নায়কৰ ভূমিকাত থাকিলে সেই নাটকৰ নায়ক 'দিব্য অদিব্য' অৰ্থাৎ ভগৱান হোৱা সত্ত্বেও মানুহৰ দৰে হয়।
- 'খ্যাতবৃত্ত' বুলিলে সকলোৰে পৰিচিত কাহিনী বুলি বুজিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সংস্কৃত নাটকত কমেও তিনিটাৰ পৰা ছটা অঙ্ক থাকিব লাগে। বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্ৰশ্ন নং ৬ ঃ সংস্কৃত নাটকৰ নায়কজন কি গুণ সম্পন্ন হ'ব লাগে লিখক।

.....

প্ৰশ্ন নং ৭ ঃ শৃঙ্গাৰ বা বীৰ ৰস নাটকৰ মুখ্য ৰস হ'ব লাগে। বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

৫.৪.২ প্ৰকৰণৰ লক্ষণ

ইতিমধ্যে আপুনি ৰূপকৰ ভিতৰত নাটকৰ লক্ষণৰ বিষয়ে জানিলে। ইয়াত আপুনি প্ৰকৰণৰ লক্ষণ সম্পৰ্কে জানিব পাৰিব। **সাহিত্যদৰ্পণত** প্ৰকৰণৰ লক্ষণসমূহ এইদৰে উল্লেখ কৰা হৈছে—

"ভৱেৎ প্ৰকৰণে বৃত্তং লৌকিকং কৱিকল্পিতম্।
শৃঙ্গাৰোহঙ্গী নায়কস্তু বিপ্ৰোহ মাত্যোহ থৱা বণিক্।।
সাপায়ধৰ্ম্মকামার্থপৰো ধীৰপ্ৰশান্তকঃ।
নায়িকা কুলজা ক্বাপি বেশ্যা ক্বাপি দ্বয়ং ক্বচিৎ।
তেন ভেদাস্ত্ৰয়স্তস্য তত্ৰ ভেদস্তৃতীয়কঃ।।"

অৰ্থাৎ প্ৰকৰণ শ্ৰেণীৰ ৰূপকত কাহিনীটো লৌকিক অৰ্থাৎ লোক সমাজত প্ৰচলিত হ'ব লাগে অথবা কৱিৰ নিজা কল্পনাৰে সৃষ্টি কৰা কাহিনীও প্ৰকৰণৰ বিষয়বস্তু হ'ব পাৰে। প্ৰকৰণত শৃঙ্গাৰ ৰস প্ৰধান ৰস হ'ব লাগে। তাৰ নায়কজন ব্ৰাহ্মণ, মন্ত্ৰী বা ৱৈশ্যও হ'ব পাৰে। নায়ক সদায় ধৰ্ম্ম, অৰ্থ আৰু কামৰ প্ৰতি অনুৰক্ত হব লাগে আৰু তেওঁ ধীৰ প্ৰশান্ত গুণসম্পন্ন হ'ব লাগে। যেনে— মৃচ্ছকটিকম্ প্ৰকৰণৰ নায়ক চাৰুদত্ত। প্ৰকৰণৰ নায়িকা ভাল বংশৰ আৰু কোনো কোনো প্ৰকৰণত বেশ্যা আৰু কোনো কোনো প্ৰকৰণত উক্ত দুয়োবিধ নায়িকাও থাকিব পাৰে। এইদৰে প্ৰকৰণ তিনি শ্ৰেণীৰ হব পাৰে। তাৰ ভিতৰত তৃতীয় শ্ৰেণীত ধূৰ্ত্ত, জোৱাৰী, বিট আৰু চেটকৰ চৰিত্ৰৰ কাৰ্য্যকলাপ থাকে। **সাহিত্যদৰ্পণৰ** বৃত্তিত কোৱা হৈছে যে প্ৰকৰণত নাটকৰ দৰে আন আন লক্ষণবোৰো থাকিব লাগে।



জানি থোৱা ভাল

- প্রকৰণ তিনি প্রকাৰৰ। যেনে— শুদ্ধ, সঙ্কীর্ণ আৰু মিশ্র প্রকৰণ।
- প্রকৰণৰ নায়িকা ভাল বংশৰ হ'লে তাক শুদ্ধ প্রকৰণ বোলা হয়।
- প্রকৰণৰ নায়িকা বেশ্যা হ'লে তাক সঙ্কীর্ণ প্রকৰণ বোলা হয়।
- প্রকৰণৰ নায়িকা ভাল বংশৰ আৰু বেশ্যা হ'লে তাক মিশ্র প্রকৰণ বোলা হয়।
- প্রকৰণৰ কাহিনীও তিনি প্রকাৰৰ হ'ব পাৰে। যেনে— ইতিহাস প্রসিদ্ধ তথা প্রখ্যাত গ্রন্থৰপৰা লোৱা কাহিনী; কৰিৰ নিজা কল্পনাৰে সাজি লোৱা কাহিনী আৰু প্রখ্যাত আৰু কৰিৰ কল্পনা এই দুয়োটাৰ যোগত ৰচনা কৰা কাহিনী। কাহিনীটো কোনো গ্রন্থৰপৰা ল'লে তাক 'খ্যাতবৃত্ত'; কৰিয়ে কল্পনাৰে সাজিলে তাক 'ক্লিপ্তবৃত্ত' আৰু দুয়োটাৰ সংযোগত কাহিনীটো হ'লে তাক 'মিশ্রপ্রকৰণ' বোলা হয়।

৫.৫ নাটকৰ সন্ধি

নাটকত পাঁচটা সন্ধিৰ প্রয়োজনৰ বিষয়ে দর্পণকাৰে এনেদৰে কৈছে—

'যথাসংখ্যমৱস্থাভিৰাভিযোগাত্তু পঞ্চভিঃ।
পঞ্চধৈৱেতি বৃত্তস্য ভাগাঃ স্যুঃ পঞ্চসন্ধয়ঃ।'

অর্থাৎ ক্রম অনুসৰি পাঁচটা অৱস্থাৰ যোগত নাটকৰ বিষয়বস্তু পাঁচ ভাগত বিভক্ত হয়। ইয়াত জানিব লাগিব যে পাঁচটা অৱস্থাৰ লগত পাঁচটা অর্থ প্রকৃতিও ক্রম অনুসৰি যোগ হ'লেহে পাঁচটা সন্ধিৰ উৎপত্তি হব।

সেই পঞ্চ অর্থপ্রকৃতি হ'ল— বীজ, বিন্দু, পতাকা, প্রকৰী আৰু কার্য্য। আকৌ পঞ্চ অৱস্থা হ'ল— আৰম্ভ, যত্ন, প্রাপ্ত্যাশা নিয়তাপ্তি আৰু ফলাগম।

নাটকৰ মুখ্য বিষয়বস্তু পাঁচটা ভাগত ক্রমে ফলাগমৰ পিনে আগবাঢ়ে। সন্ধিয়ে নাটকৰ কাহিনীক ক্রমে পৰিণতিৰ পালে আগবঢ়াই নিয়ে। এতিয়া সন্ধিৰ লক্ষণৰ বিষয়ে জানিব পাৰিব। সেই বিষয়ে কোৱা হৈছে—

"অন্তৰৈকার্থসম্বন্ধঃ সন্ধিৰেকান্বয়ে সতি।"

অর্থাৎ নাটকত মূল কাহিনী এটা থাকে। তদুপৰি উপকাহিনীবোৰে মুখ্য কাহিনীৰ অঙ্গ হিচাপে থাকে। বিভিন্ন উপকাহিনীৰে সংযোজিত নাটকীয় যি মূল কাহিনী তাৰ লগত সন্ধিয়ে অঙ্গ কাহিনীবোৰৰ সমন্বয় বজায় ৰাখে।

আপুনি সন্ধি কাক বোলে সেইটো অধ্যয়ন কৰিলে। এতিয়া পাঁচবিধ সন্ধিৰ কথা জানিব পাৰিব। সেই পাঁচটা সন্ধি হৈছে— মুখ, প্রতিমুখ, গর্ভ, বিমর্শ আৰু উপসংহৃতি। উপসংহৃতি সন্ধিক নির্বহণ সন্ধি বুলিও কোৱা হয়। প্রথমতে আপুনি মুখসন্ধিৰ লক্ষণ অধ্যয়ন কৰিব। সেইটো এনেদৰে বর্ণনা কৰা হৈছে—

"যত্র বীজসমুৎপত্তির্নানার্থৰসসম্ভৱা।
প্রাৰম্ভেণ সমাযুক্তা তন্মুখং পৰিকীর্ত্তিতম্।।"

অর্থাৎ নাটকৰ যি অংশত নাটকৰ বীজক নানা ৰসৰ বর্ণনাৰে আৰম্ভৰ সহায়ত প্রকাশ কৰা হয় তাক মুখসন্ধি বুলি কোৱা হয়। বীজ আৰু আৰম্ভ —এই দুটাৰ সহযোগ হ'লে মুখসন্ধিটো হয় সেইটো কথা আপুনি ইয়াত জানিলে।

মুখ সন্ধিৰ পিছত আহে প্রতিমুখসন্ধি। এতিয়া আপুনি প্রতিমুখসন্ধিৰ কথা জানিব পাৰিব। সেই বিষয়ে কোৱা হৈছে—

"ফলপ্রধানোপায়স্য মুখসন্ধিনিৱেশিনঃ।
লক্ষ্যালক্ষ্য ইবোদ্ভেদো যত্র প্রতিমুখঞ্চ তৎ।।"

অর্থাৎ য'ত নাটকৰ প্রধান ফলৰ বীজ অলপ মান আগবাঢ়ে আৰু ই অস্পষ্ট হৈ থাকে তাকেই প্রতিমুখসন্ধি বোলে।

আপুনি দেখিলে যে মুখ সন্ধিত নাটকৰ বীজ আৰু প্রতিমুখসন্ধিত বীজৰ সামান্য অগ্রগতি দেখুৱা হয়। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল যে প্রতিমুখসন্ধিত বীজৰ সেই অগ্রগতিটো দেখা-নেদেখা হৈ ৰয়। প্রতিমুখসন্ধি বিন্দু আৰু প্রযত্নৰ যোগত সৃষ্টি হয়।

আপুনি প্রতিমুখসন্ধিৰ কথা অধ্যয়ন কৰিলে। এতিয়া গর্ভসন্ধিৰ কথা জানিব পাৰিব। এই বিষয়ে কোৱা হৈছে—

"ফলপ্রধানোপায়স্য প্রাগুদ্ভিন্নস্য কিঞ্চন।
গর্ভো যত্র সমুদ্ভেদোহ্রাসান্বেষণৱান্ মুহুঃ।।"

অর্থাৎ গর্ভ সন্ধিত নাটকীয় ফল গর্ভস্থ হয়। নাটকৰ প্রধান ফল ইয়াত আগতকৈয়ো বেছি মাত্রাত প্রকাশ পায়। গর্ভ সন্ধিত মুখ্য ফল বেছি মাত্রাত প্রকাশ পালেও তাত অপায় অর্থাৎ বাধা আদিৰ দ্বাৰা ফলৰ আশা আৰু নিৰাশা দুয়োটাই দেখা যায়। পতাকা আৰু প্রাপ্ত্যাশাৰ যোগতহে গর্ভ সন্ধিৰ সৃষ্টি হয়।

আপুনি গর্ভসন্ধিৰ কথা অধ্যয়ন কৰিলে। এতিয়া বিমর্শসন্ধিৰ কথা জানিব পাৰিব। সেই বিষয়ে কোৱা হৈছে—

"যত্র মুখ্যফলোপায় উদ্ভিন্নো গর্ভতোহধিকঃ।
শাপাদ্যৈঃ সান্তৰায়শ্চ স বিমর্শ ইতি স্মৃতঃ।।"

অর্থাৎ য'ত নাটকৰ মুখ্য ফল গর্ভসন্ধিতকৈয়ো আৰু বেছি স্পষ্ট হৈ উঠে আৰু অভিশাপ আদিৰ দ্বাৰা বাধাযুক্ত হয় তাক বিমর্শ সন্ধি বুলি কোৱা হয়। প্রকৰী আৰু নিয়তাপ্তিৰ যোগত বিমর্শসন্ধিৰ সৃষ্টি হয়।

আপুনি বিমর্শসন্ধি অধ্যয়ন কৰিলে। এতিয়া আপুনি উপসংহৃতি বা নির্বহন সন্ধিৰ লগত সন্ধিৰ পৰিচিত হব পাৰিব। উপসংহৃতিসন্ধি বুলিলে স্পষ্টকৈ বুজিব পৰা যায় যে এই সন্ধিতেই নাটকখনৰ মুখ্য ফল প্রকাশ পায় আৰু নাটকৰ মুখ্য ফল প্রকাশ পোৱাৰ লগে লগে নাটকৰ ওৰ পৰে। উপসংহৃতি সন্ধিৰ বিষয়ে এনেদৰে কোৱা হৈছে—

"ৰীজৱন্তো মুখাদ্যৰ্থা বিপ্ৰকীৰ্ণা যথাযথম্।
একাৰ্থমুপনীয়ন্তে যত্ৰ নিৰ্বহণং হি তৎ।।"

অৰ্থাৎ মুখকে আদি কৰি আন সন্ধিত বিক্ষিপ্ত হৈ থকা বিষয়বস্তু য'ত একেলগে লগ লাগে আৰু একেটা মুখ্য ফলৰ উৎপত্তি দেখুৱায় তাক নিৰ্বহণৰ সন্ধি বুলি কোৱা হয়। কাৰ্য্য আৰু ফলাগমৰ যোগতহে নিৰ্বহণ সন্ধিৰ সৃষ্টি হয়।

আপুনি গম পালে যে সন্ধিত পাঁচটা অৰ্থ প্ৰকৃতি আৰু পাঁচটা অৱস্থা অপৰিহাৰ্য্য অঙ্গ। তলৰ তালিকাখনত এই বিষয়ে দেখুৱা হ'ল।

পঞ্চ অৰ্থ প্ৰকৃতি	**পঞ্চ অৱস্থা**	**পঞ্চ সন্ধি**
বীজ	আৰম্ভ	মুখ
বিন্দ	যত্ন	প্ৰতিমুখ
পতাকা	প্ৰাপ্ত্যাশা	গৰ্ভ
প্ৰকৰী	নিয়তাপ্তি	বিমৰ্শ
কাৰ্য্য	ফলাগম	নিৰ্বহণ (উপসংহৃতি)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ নাটকত ব্যৱহাৰ হোৱা সন্ধি পাঁচটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৯ ঃ কোনটো অৰ্থ প্ৰকৃতি আৰু অৱস্থাৰ যোগত বিমৰ্শ সন্ধি হয় লিখক।

.....

.....

প্ৰশ্ন নং ১০ ঃ উপসংহৃতি সন্ধিক নিৰ্বহণ সন্ধিও বুলি কোৱা হয়। (শুদ্ধ নে অশুদ্ধ লিখক)

.....

.....



৫.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- দৃশ্য কাব্যকেই ৰূপক বুলি কোৱা হয়।
- ৰূপকৰ চৰিত্ৰত মূল চৰিত্ৰৰ (যেনে— ৰাম, ৰাৱণ, সীতা, যুধিষ্ঠিৰ আদিৰ) বৈশিষ্ট্য আৰোপিত হয়।
- দৃশ্য কাব্য অভিনয়ৰহে উপযুক্ত আৰু অভিনয় চাইহে আনন্দ পোৱা যায়।

- আঙ্গিক, বাচিক, সাত্ত্বিক আৰু আহার্য্য —এই চাৰি প্ৰকাৰ অভিনয়ৰ কথাও আপুনি জানিলে।
- দহ প্ৰকাৰ ৰূপকৰ নাম জানিব পাৰিলে।
- ধীৰোদ্ধত, ধীৰোদাত্ত, ধীৰললিত আৰু ধীৰপ্ৰশান্তক —এই চাৰি প্ৰকাৰ নায়কৰ কথাও জানিব পাৰিলে।
- নাটক আৰু প্ৰকৰণৰ বিষয়বস্তু যে সম্পূৰ্ণ বেলেগ ধৰণৰ সেইটো নাটক আৰু প্ৰকৰণৰ লক্ষণৰ আলোচনাৰ পৰাই জানিবলৈ পালে।
- নাটকৰ সন্ধিৰ বিষয়ে জানিলে।



৫.৭ অধিক জানিবলৈ

১) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত নাট্যতত্ত্ব পৰিচয়*।
২) ধনঞ্জয়, *দশৰূপক*।
৩) ৰয়, কুমুদ ৰঞ্জন, *সাহিত্যদর্পণ* (ষষ্ঠ পৰিচ্ছেদ)।
৪) শৰ্ম্মা, আচার্য্য শেষৰাজ, *সাহিত্যদর্পণ* (চন্দ্রকলা সংস্কৃত-হিন্দী ব্যাখ্যাসহ), বাৰাণসী ঃ কৃষ্ণ দাস একাডেমী।



৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

২নং প্ৰশ্নৰ উত্তৰ ঃ নাটকৰ মূল কাহিনী লাহে লাহে পৰিণতিৰ পিনে আগবাঢ়ে আৰু শেহত ফলাগমত সমাপ্ত হয়। কাহিনীৰ এই অগ্রগতিত সন্ধি অতি আৱশ্যক এটি উপাদান।

৩নং প্ৰশ্নৰ উত্তৰ ঃ নট আদিৰ দ্বাৰা অভিনয় কৰা কাব্য চকুৰে চাই আনন্দ উপভোগ কৰিব পাৰি। এনেকুৱা কাব্যকেই দৃশ্য কাব্য বোলা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অভিনয় চাৰিবিধ। সেইবোৰ হৈছে— আঙ্গিক, ৱাচিক, সাত্ত্বিক আৰু আহার্য্য।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত নাটকৰ নায়কজন ধীৰোদাত্ত গুণসম্পন্ন হ'ব লাগে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ নাটকত ব্যৱহাৰ হোৱা সন্ধি পাঁচবিধ হৈছে— মুখ, প্ৰতিমুখ, গর্ভ, বিমর্শ

আৰু নিৰ্বহন।

৯নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৰী নামৰ অৰ্থ প্ৰকৃতি আৰু নিয়তাপ্তি নামৰ অৱস্থাৰ যোগত বিমৰ্শ সন্ধি হয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।



৫.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ প্ৰকৰণৰ লক্ষণ কি?

প্ৰশ্ন ২ ঃ ধীৰোদাত্ত নায়কৰ লক্ষণ কি?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নাটক আৰু প্ৰকৰণৰ মাজত থকা মূল পাৰ্থক্য কেইটা চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দহবিধ ৰূপকৰ নাম লিখক।

প্ৰশ্ন ২ ঃ নাটকৰ লক্ষণৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***